**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 22-08-2025 **Time :** 1205 Hrs.

# Assamese Midday Bulletin

00000000

সমাগত বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পাইছে। ইউনাইটেড পিপ'ল্‌ছ্‌ পাৰ্টী লিবাৰেচন চমুকৈ ইউ পি পি এলে পৰিষদীয় নিৰ্বাচনৰ বাবে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। দলটোৰ সভাপতি তথা ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰীয়ে পৰিষদৰ মুঠ ৪০ টা সমষ্টিৰ ভিতৰত ১৮ টা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। চিৰাং জিলাৰ তিনিটা সমষ্টিৰ প্ৰাৰ্থীৰ নাম প্ৰকাশ কৰা হৈছে।

পৰিষদীয় নিৰ্বাচনৰ বাবে বিজেপিকে ধৰি বি পি এফ দলৰ নিৰ্বাচনী প্ৰচাৰ অব্যাহত আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনৰ পূৰ্বে বড়োলেণ্ডৰ কেইবাটাও স্থানত ৰাজহুৱা সভা সম্বোধন কৰাৰ লগতে বিজেপিৰ কেইবাজনো মন্ত্ৰী-বিধায়কে নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। ইপিনে, নিৰ্বাচনৰ বাবে বি পি এফ দলেও তৎপৰতাৰে নিৰ্বাচনী প্ৰচাৰ চলাইছে। বি পি এফ দলে পৰিষদীয় নিৰ্বাচনৰ বাবে কিছু দিন পূৰ্বে দলৰ ২২ গৰাকী প্ৰাৰ্থীৰ নাম প্ৰথমখন তালিকাত প্ৰকাশ কৰিছিল। বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে বড়োলেণ্ডৰ বহুকেইটা স্থানত নিৰ্বাচনী প্ৰচাৰ চলাই ভোটদাতাক আকৃষ্ট কৰাৰ চেষ্টা কৰিছে।

00000000

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত উদ্যমিতাৰ দিশত আগুৱাই যাবলৈ আত্মসহায়ক গোটৰ প্ৰতিগৰাকী মহিলাক ১০ হাজাৰ টকাৰ উদ্যমিতা পুঁজি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নলবাৰী জিলাত এই অভিযানৰ পুঁজি বিতৰণ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। নলবাৰীৰ পি এম শ্ৰী ঘগ্ৰাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত নলবাৰী সমষ্টিৰ প্ৰায় ৩৪ হাজাৰ গৰাকী আত্ম-সহায়ক গোটৰ মহিলাক আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰা হয়।

00000000

দেশৰ সামুদ্ৰিক খণ্ডৰ সংস্কাৰ আৰু আন্তঃগাঁথনিৰ সম্প্ৰসাৰণৰ জৰিয়তে ২০৪৭ চনৰ ভিতৰত ভাৰতৰ অৰ্থনীতি বিশ্বৰ প্ৰথম স্থানত উপনীত হোৱাৰ দিশত অগ্ৰসৰ হৈছে। নতুন দিল্লীত কালি এখন আন্তঃগাঁথনি সন্মিলনত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই সময়ছোৱাত দেশৰ বন্দৰসমূহৰ সামগ্ৰী পৰিবহণৰ ক্ষমতা ১০ হাজাৰ নিযুত মেট্ৰিকটনলৈ বৃদ্ধি হ'ব। তেওঁ কয়, যে জাহাজ নিৰ্মাণকাৰী দেশ হিচাপে চৰকাৰে ২০৩০ চনৰ ভিতৰত বিশ্বৰ ১০ খন দেশৰ ভিতৰত ভাৰতৰ নাম অন্তৰ্ভুক্তি আৰু ২০৪৭ চনৰ ভিতৰত বিশ্বৰ প্ৰথম স্থানত উপনীত হোৱাৰ লক্ষ্য স্থিৰ কৰিছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতা লাভৰ ১০০ বছৰ সম্পূৰ্ণ হোৱাৰ সময়ত দেশক আত্মনিৰ্ভৰশীল আৰু বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। চৰকাৰে দেশৰ অৰ্থনীতি ৩০ লাখ কোটি ডলাৰলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে।

00000000

কেন্দ্ৰীয় চৰকাৰে যোৱা পাঁচটা বিত্তীয় বৰ্ষত ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীলৈ ৩ হাজাৰ ৫৫৯ কোটি ১৯ লাখ টকা মুকলি কৰি দিছে। গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে কালি ৰাজ্যসভাত অসমত বানপানীৰ ফলত ক্ষয়-ক্ষতিৰ বাবে কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা পুঁজি সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰ দি এই কথা প্ৰকাশ কৰে।

00000000

হোজাইৰ লামডিং বনাঞ্চলৰ সমীপৱৰ্তী লংকা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত গোসাইগাঁও বনগাঁৱত থকা শ্ৰীশ্ৰী শংকৰদেৱ প্ৰাথমিক বিদ্যালয়ত যোৱা নিশা বনৰীয়া হাতীয়ে আক্ৰমণ কৰি বিদ্যালয়খনৰ বিস্তৰ ক্ষতি কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে বিদ্যালয়খনত মজুত কৰি ৰখা মধ্যাহ্ন ভোজনৰ চাউল বিচাৰি বনৰীয়া হাতীৰ জাকটোৱে বিদ্যালয়খনৰ পকী বেৰ আৰু খিৰিকীসমূহ ভাঙি পেলায়। অঞ্চলটোৰ একমাত্ৰ চৰকাৰী শিক্ষানুষ্ঠানখনত ইতিমধ্যে বনৰীয়া হাতীয়ে সাতবাৰকৈ আক্ৰমণ চলাইছে।

00000000

কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত কাইলৈ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি হ’ব।

ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবে বুধবাৰে কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ১৬ বাৰৰ চেম্পিয়ন ইষ্ট বেংগল ফুটবল ক্লাবক ২-১ গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। খেলখনৰ দ্বিতীয়াৰ্ধত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবৰ হৈ মাইকেল কৰ্টাজাৰে প্ৰথমটো গল দিয়ে যদিও তাৰ কিছু সময়ৰ পাছতে ইষ্ট বেংগলৰ আনোৱাৰ আলীয়ে সমতা স্থাপন কৰে। পাছত ডায়মণ্ড হাৰ্বাৰৰ জবিয়ে দলৰ হৈ বিজয়সূচক গ’লটো দিয়ে।

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে মঙলবাৰে শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ’লত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

00000000

**সমাপ্ত**